জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৭৭/২০২২**

**<u>ডিব্ৰুগড় জিলাৰ টিংখাঙত বিকাশৰ বাবে এটা পষেক অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ</u>**

# ডিব্ৰুগড় জিলাত ৯৭৩.৩৮ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন প্ৰকল্পৰ শিলান্যাস তথা শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৪ ডিচেম্বৰ ঃ** বিকাশৰ বাবে এটা পষেক প্ৰথম পৰ্যায়ৰ অন্তিম কাৰ্যসূচীত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড় জিলাৰ টিংখাঙত অনুষ্ঠিত এক অনুষ্ঠানত ৯৭৩.৩৮ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন আঁচনিৰ শিলান্যাস আৰু শুভ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নক এক নৱৰূপ দিবলৈ অৰ্থনৈতিক বিপ্লৱৰ নেতৃত্ব বহন কৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

কুঁৱৰীগাঁও উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনে বছৰ বছৰ ধৰি বহু আন্দোলন, ধৰ্ণা আৰু হৰ্তালৰ সাক্ষী হৈ আহিছিল যদিও ৰাজ্যৰ বৌদ্ধিক, সাংস্কৃতিক আৰু উন্নয়নমূলক পৰিৱেশক সজীৱ কৰি তোলাৰ বাবে মনোনিৱেশ কৰাৰ সময় আহি পৰিছে।

ডিব্ৰুগড়ৰ উন্নয়নৰ ভৱিষ্যৎ পৰিকল্পনাৰ ৰূপৰেখা দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে বুঢ়ীদিহিং নদীৰ পাৰ শক্তিশালীকৰণৰ লগতে উন্নয়ন সাধন কৰাৰ বাবে প্ৰায় ২৫০ কোটি টকা ব্যয় সাপেক্ষে এক আঁচনি গ্ৰহণ কৰা হ'ব। তেওঁ কয় যে টিংখাঙত এখন চিৰিয়াখানা স্থাপন কৰাৰ পৰিকল্পনা আছে আৰু ঐতিহাসিক টিপামত কেন্দ্ৰীয়ভাৱে মে-দাম-মে-ফী উদ্‌যাপন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে অৱগত কৰে যে মৰাণৰ পৰা নাহৰকটীয়া হৈ ডিগবৈলৈ যোৱা পথটো দ্বৈত পথলৈ উন্নীত কৰি অঞ্চলটোৰ পথ যোগাযোগক এক নতুন ৰূপ দিয়া হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে অৰুণোদয় আঁচনিৰ অধীনত এই বছৰ ৬ হাজাৰ নতুন হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰাৰ লগতে অহা বছৰ আৰু ৬ হাজাৰ হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰা হ'ব। তদুপৰি ৫ হাজাৰ দুখীয়া পৰিয়ালক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব। ৰেচন কাৰ্ড প্ৰাপ্ত লোকসকলে বিনামূলীয়া চিকিৎসা সেৱা ৫ লাখ টকালৈকে লাভ কৰিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে শৈক্ষিক আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্যখনৰ প্ৰতিখন বিদ্যালয়ৰ বাবে ৭ ৰ পৰা ৮ কোটি টকা ব্যয় কৰি বিকাশ সাধন কৰা হ'ব।

এই কাৰ্যসূচীৰ অধীনত ৫০০৮.৬১৫ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে টিংখাঙৰ ৰাজগড়, লাহোৱাল, দুলীয়াজান আৰু নাহৰকটীয়াৰ নগাঁও ৰাজহুৱা খেলপথাৰত এখনকৈ মিনি ষ্টেডিয়াম, ১২৩২.১৬৪ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে মৰাণত অভয়পুৰ গ্ৰাম্য ক্ৰীড়া প্ৰকল্প, ১৫১০.৯২ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে ডিব্ৰুগড় চৰকাৰী ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান, লাহোৱাল চৰকাৰী ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু লাহোৱালৰ ডিব্ৰুগড় পলিটেকনিকত উৎকৰ্ষতাৰ কেন্দ্ৰৰূপে চৰকাৰী পলিটেকনিক প্ৰতিষ্ঠান আৰু আই টি আইৰ উন্নীতকৰণ (কৰ্মশালা আৰু কাৰিকৰী গৱেষণাগাৰ নিৰ্মাণ), ৫০০ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় চৌহদত অত্যাধুনিক আৰু বাতানুকুল প্ৰেক্ষাগৃহ, ৪৩২.৭২ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে দুলীয়াজানত আই টি আই নিৰ্মাণ, ৫৭৯৯.৬৬ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে টিপাম হৈ ভাদৈ পাঁচ আলি-জয়পুৰ খুনচা পথৰ বহলীকৰণ আৰু সবলীকৰণৰ কাম, ৪৫৯৭৯ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে মৰাণ-নাহৰকটীয়া পথ নিৰ্মাণ, ১৩৪২.০৩ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে মোহনাঘাটৰ পৰা ম'হমাৰী পথাৰলৈ ব্ৰহ্মপুত্ৰৰ বান্ধৰ মথাউৰিৰ ওপৰেৰে পথ নিৰ্মাণ, ১০৭৯.৬০ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে ম'হমাৰী পথাৰৰ পৰা মধুপুৰলৈ পথ তথা মথাউৰি নিৰ্মাণ, ৯৩১.৪ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে অ'কলেণ্ডৰ পৰা মাইজান চাহ বাগিচালৈ পথ তথা মথাউৰি নিৰ্মাণ, ৪৭৪৬.১৬৫ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে মাধৱপুৰ টিপলিং পথৰ প্ৰথম ১ কিঃমিঃত ৰেলৰে লেভেল ক্ৰছিঙ গেটত আৰ অ' বি, ৬৫০.২ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে দুলীয়াজানৰ খেৰেমীয়াত এ আই আই বিৰ অধীনত অসম বিতৰণ ব্যৱস্থা সবলীকৰণ আৰু লোকচান হ্ৰাস আঁচনি, ৬৩৮ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে দুলীয়াজানৰ বেলবাৰী তিনিআলিত এ আই আই বিৰ অধীনত অসম বিতৰণ ব্যৱস্থা সবলীকৰণ আৰু লোকচান হ্ৰাস আঁচনি, ৫৬৮.৭ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে লাহোৱালৰ জাপিসজীয়াত এ আই আই বিৰ অধীনত অসম বিতৰণ ব্যৱস্থা সবলীকৰণ আৰু লোকচান হ্ৰাস আঁচনি, ৪৬৬৬ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে অ'কলেণ্ড বান্ধৰ নগাঘুলিৰ পৰা ফিলন'গুৰিলৈকে বানত হোৱা ক্ষতিৰ পুনৰনিৰ্মাণৰ কাম, ১৮৭৫ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে পুখুৰীজানত ব্ৰহ্মপুত্ৰৰ বানৰ পৰা হোৱা ক্ষতিৰ পুনৰনিৰ্মাণৰ কাম, ১৫৩৫ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে ৰহমৰীয়াত ব্ৰহ্মপুত্ৰৰ পাৰত লকাচনিৰ পৰা লিটিঙগাঁৱলৈ দ্বিতীয় আৰু তৃতীয় কিঃমিঃত হোৱা বান ক্ষতিৰ পুনৰনিৰ্মাণৰ কাম, ১১০১৭ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে ব্ৰহ্মপুত্ৰৰ পাৰত দিনজান আৰ্মী কেম্পৰ বাবে বান সুৰক্ষা আঁচনিৰ কামৰ আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰীয়ে ৪০৭৭.৪০ লাখ টকা ব্যয় সাপেক্ষে অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত চৰকাৰী দন্ত চিকিৎসা মহাবিদ্যালয়, ১২৮.৪২ লাখ টকা ব্যয় সাপেক্ষে টিংখাঙত লোক নিৰ্মাণ বিভাগৰ দুমহলীয়া আৰ চি চি পৰিদৰ্শন বাংলো, ২৮৭১.৫৪ লাখ টকা ব্যয় সাপেক্ষে জলজীৱন মিছন, ডিব্ৰুগড়ৰ অধীনত ৬৩৪২ টা কাৰ্যক্ষম ঘৰুৱা টেপ সংযোগৰে ২৪ খন পাইপ পানীযোগান আঁচনি, ৭৪৯ লাখ টকা ব্যয় সাপেক্ষে ডিব্ৰুগড়ত জলসম্পদ বিভাগৰ প্ৰকল্প সহায়তা কেন্দ্ৰ / অতিথিশালাৰ শুভ উদ্বোধন কৰে।

আজিৰ এই অনুষ্ঠানত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিয়োগ বিভাগৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়া, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, তৰংগ গগৈ, তেৰছ গোৱালা, চক্ৰধৰ গগৈ, জিলা পৰিষদৰ সভানেত্ৰী দেইজী ৰাণী ফুকন শ্যাম, মটক স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডেভিদ চেতিয়া, এ পি এলৰ অধ্যক্ষ বিকুল ডেকা, এ টি ডি চিৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, অসম গেছ কোম্পানীৰ অধ্যক্ষ ইন্দ্ৰ গগৈ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**
**২৪/১২/২০২২**